TDC Even Semester Exam., 2019

ASSAMESE

(Modern Indian Language)

(4th Semester)

Course No. : ASML–401

(অসমীয়া গদ্য, উপন্যাস আৰু চুটিগল্প)

Full Marks : 50

Pass Marks : 17

Time : 2 hours

The figures in the margin indicate full marks for the questions

Answer **all** questions

প্ৰথম খণ্ড

(*মূল্যাংক* : ১০)

১। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ১×১০=১০

(ক) কি শ্লোক মাতি শংকৰদেৱে মাধৱদেৱক পতিয়ন নিয়াইছিল ?

(খ) 'ছোট আতা' কোন ?

(গ) 'নামঘোষা' গ্ৰন্থখনৰ আন এটা নাম কি ?

(ঘ) 'ৰাম নৱমী নাটক' প্ৰবন্ধটিৰ ৰচক কোন ?

(ঙ) কোনখন উপন্যাসৰ বাবে ৰংবং তেৰাঙে 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত হয় ?

(চ) 'ৰংমিলিৰ হাঁহি' উপন্যাসখনত উল্লেখ থকা ৰংমিলি গাঁৱৰ গাঁওবুঢ়াজনৰ নাম কি ?

(ছ) 'গহ্বৰ' গল্পটিৰ বিখ্যাত চিকিৎসকজনৰ নাম কি ?

(জ) 'মধুপুৰ বহুদূৰ' গল্পৰ লেখক শীলভদ্ৰৰ প্ৰকৃত নাম কি ?

(ঝ) লক্ষ্মীনাথ বেজবৰুৱাৰ এখন গল্পপুথিৰ নাম লিখা।

(ঞ) পাতমুগীৰ ঘৰ ক'ত আছিল ?

দ্বিতীয় খণ্ড

(*মূল্যাংক* : ৩০)

২। (ক) 'গুৰু শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠটিত মাধৱদেৱৰ গুৰুভক্তি কিদৰে ফুটি উঠিছে, বৰ্ণনা কৰা। ১০

অথবা

(খ) '' 'নাম-ঘোষা'ত প্ৰধানকৈ তিনিটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে ধাৱমান হৈছে।'' এই তিনিটা ভাৱৰ ধাৰাৰ বিষয়ে লিখা। ১০

অথবা

(গ) 'ৰাম নৱমী নাটক' পাঠটিত লেখক তীৰ্থনাথ শৰ্মাই আলোচনা কৰা নাটকৰ কাহিনীভাগৰ এটি আলোচনা আগবঢ়োৱা। ১০

৩। (ক) 'গহ্বৰ' নামৰ গল্পটিত মি. পিয়েনাৰৰ হৃদপিণ্ড সলনি কৰাৰ পিছৰ ঘটনা-প্ৰৱাহৰ এটি চমু আভাস দিয়া। ১০

অথবা

(খ) পাতমুগীয়ে কিদৰে মানুহৰ দ্বাৰা ঠগ-প্ৰৱঞ্চনা আৰু প্ৰতাৰণাৰ মুখামুখি হৈছিল, 'পাতমুগী' গল্পৰ সহায়ত বিচাৰ কৰা। ১০

অথবা

(গ) শীলভদ্ৰৰ 'মধুপুৰ বহুদূৰ' গল্পটিৰ মূল কথাখিনি চমুকৈ বৰ্ণনা কৰা। ১০

৪। (ক) 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা ৰংবং তেৰাঙৰ সাহিত্যকৃতিৰ আভাস দিয়া। ১০

অথবা

(খ) 'ৰংমিলিৰ হাঁহি' উপন্যাসত সিঁচৰিত হৈ থকা কাৰবি সমাজখনৰ সাংস্কৃতিক দিশসমূহৰ বিষয়ে আলোচনা কৰা। ১০

অথবা

(গ) 'ৰংমিলিৰ হাঁহি' উপন্যাসত প্ৰণয়ৰ ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

তৃতীয় খণ্ড

(*মূল্যাংক* : ১০)

৫। চমুকৈ উত্তৰ লিখা (যি কোনো **দুটা**) : ৫×২=১০

(ক) 'বোলে বৰাৰ পো, গৰ বান্ধি যুজিলে সজ প্ৰাণৰ সংশয় নাই : বিনা গৰে যুজিলে ভয়।।' কথাষাৰ কোনে, কাক আৰু কিয় কৈছিল? ১+১+৩=৫

(খ) 'মধুপুৰ বহুদূৰ' গল্পত থকা ফেলুবাবুৰ চৰিত্ৰৰ বিষয়ে চমুকৈ লিখা। ৫

(গ) 'ৰংমিলিৰ হাঁহি' উপন্যাসৰ অম্ফু চৰিত্ৰৰ বিষয়ে লিখা। ৫

(ঘ) গল্পকাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ এটি চমু পৰিচয় আগবঢ়োৱা। ৫

★★★